





# শিকলিৰে বন্ধা মানৱতা

চিন্তন | জিতুমণি পাঠক

এই মাহটোৰ আৰম্ভণিতেই বাংগালুৰু চহৰত মাথোঁ দুদিন সময়ৰ ব্যৱধানত অগা-পিছাকৈ উন্মোচিত হোৱা দুটি ঘটনাই সমগ্ৰ দেশবাসীকে স্তম্ভিত কৰি তুলিছিল। প্ৰথমটি ঘটনাৰ বলি আছিল হেমাৱতী নামৰ এগৰাকী ৩৪ বছৰীয়া যুৱতী। বাণিজ্য শাখাৰ স্নাতক ডিগ্ৰীপ্ৰাপ্ত এই যুৱতীয়ে চাৰি বছৰ পূৰ্বে যেতিয়া জীৱনটোক লৈ নতুন স্বপ্ন ৰচিছিল, নিজকে নিজৰ ধৰণে গঢ়ি তোলাৰ প্ৰয়াস কৰিছিল, সেই সময়তে এই যুৱতীক জোৰকৈ নিক্ষেপ কৰা হৈছিল এটি অন্ধকাৰ কুঠৰীলৈ। বা-বতাহ সোমাব নোৱৰা সেই অন্ধকাৰময় কোঠাটিত যুৱতীগৰাকীক যি এবাৰলৈ সুমুৱাই দিয়া হ'ল তাৰ পিছত এদিন-দুদিন বা এমাহ-দুমাহ নহয়, সম্পূৰ্ণ চাৰিটি বছৰলৈ তাই আবদ্ধ হৈ ৰ'ল কোঠাটিত। কমটিৰ ভিতৰৰ সেমেকা পৰিৱেশ, বেৰৰপৰা খহি পৰা ৰংবোৰৰ মাজত শতচ্ছিন্ন পোছাকেৰে মজিয়াত পৰি ৰোৱা হেমাৱতী নামৰ যুৱতীগৰাকীয়ে চাগে ভাবিছিল যে মৃত্যুৱেই হয়তো তাইৰ মুক্তিৰ শেষ উপায়। দীঘল দীঘল হাত-ভৰিৰ নখ তথা জঁট বন্ধা চুলিৰে কমটোৰ মজিয়াত পৰি ৰোৱা হেমাৱতীক যেতিয়া বাংগালুৰু পুলিচে উদ্ধাৰ কৰিছিল তেতিয়া তাই আছিল মানসিকভাৱে সম্পূৰ্ণ বিধ্বস্ত অৱস্থাত। বন্দিত্বৰ এই দীৰ্ঘ সময়ছোৱাত তাইক যোগান দিয়া হোৱা নাছিল ন্যূনতম আহাৰখিনিও। অসহ্য ভোকত তাই মাজে মাজে চিঞৰি চিঞৰি কান্দি উঠিছিল, কিবা খাবলৈ দিবলৈ প্ৰাৰ্থনা কৰিছিল। এই নিদাৰুণ সত্যৰ অৱগত হৈয়েই অৱশেষত এগৰাকী প্ৰতিৱেশীয়ে খবৰ দিছিল পুলিচক। পুলিচৰ তৎপৰতাত যেতিয়া এই যুৱতীক উদ্ধাৰ কৰা হ'ল আৰু সংবাদ মাধ্যমত এই ঘটনাৰ সবিশেষ প্ৰকাশ পালে, তেতিয়াহে সকলোৰে চকু কপালত উঠিল। কিয়নো এগৰাকী ৩০ বছৰীয়া যুৱতীৰ জীৱনৰ চাৰিটি গুৰুত্বপূৰ্ণ বছৰ এইদৰে নৰকসদৃশ কৰি তোলা জঘন্য খলনায়কজন আন কোনো নাছিল, আছিল তাইৰেই নিজ পিতৃ। পিতৃৰ পছন্দৰ বিপৰীতে নিজৰ জীৱনসংগী নিৰ্বাচন কৰিবলৈ যোৱাৰ পৰিণতিতেই তাই ভুগিবলগীয়া হ'ল এনে জঘন্যতম শাস্তি।

বাংগালুৰু চহৰৰ এটি প্ৰান্তত সংঘটিত এই অমানৱীয় ঘটনাৰ ঢৌ মাৰ নৌযাওঁতেই এই চহৰৰে আন এটি প্ৰান্তত পোহৰলৈ আহিল প্ৰায় একেই ধৰণৰ এক অমানৱীয় ঘটনাৰ। এইবাৰৰ ঘটনাৰ বলি আছিল ৯১ বছৰীয়া এগৰাকী বৃদ্ধ অনন্তৰামা চেট্টী। পুত্ৰ-বোৱাৰীৰ সৈতে একেলগে থাকিবলৈ লোৱা অনন্তৰামা চেট্টীৰ দুৰ্ভাগ্যৰ মুহূৰ্তটো সূচনা হৈছিল দুবছৰ আগেয়ে। পুত্ৰৰ অভিযোগ মতে সঘনাই ডায়েৰীয়াত আক্ৰান্ত হোৱা বৃদ্ধ পিতৃয়ে ঘৰৰ ভিতৰত শৌচ-প্ৰস্ৰাৱ কৰি এক কদৰ্যময় পৰিৱেশৰ সৃষ্টি কৰিছিল। সেয়েহে ঘৰৰ সৌন্দৰ্য অক্ষুণ্ণ ৰাখিবলৈ সেই উচ্চ শিক্ষিত সন্তানে পিতৃক ছাতৰ ওপৰলৈ নি পানী টেংকিৰ ওচৰত শিকলিৰে বান্ধি থৈছিল। এনেদৰে দুটি বছৰ আগতে আৰম্ভ হৈ গৈছিল সেই বৃদ্ধৰ এই দুৰ্ভাগ্যময় জীৱনৰ।

প্ৰতিদিনে পুৱা কোনো পোহনীয়া জন্তুৰ দৰে শিকলিৰে বান্ধি বৃদ্ধক লৈ যোৱা হৈছিল ছাতৰ ওপৰলৈ আৰু গধূলি সময়ত লৈ অনা হৈছিল ঘৰৰ ভিতৰলৈ। প্ৰায় দুটা বছৰ ধৰি নিৰন্তৰ চলি গৈছিল এই পৰিক্ৰমা। ঘৰখনৰ সৌন্দৰ্য অক্ষুণ্ণ ৰাখি সেই পুত্ৰই বৰ নিৰ্লজ্জভাৱে জগতবাসীক প্ৰত্যক্ষ কৰাইছিল তেওঁৰ হৃদয়ৰ ভিতৰত থকা কদৰ্যতাখিনিক। এয়া হয়তো আৰু কিমানদিনলৈ চলি থাকিল হয় সেয়া কোৱাটো সম্ভৱ নাছিল। সৌভাগ্যক্ৰমে এইবাৰো এগৰাকী প্ৰতিৱেশীৰ মধ্যস্থতাত বাংগালুৰু পুলিচে উদ্ধাৰ কৰিলে এই বৃদ্ধক। পুলিচ গৈ ঘটনাস্থলীত উপস্থিত হোৱাৰ সময়ত অনন্তৰামা চেট্টী নামৰ সেই বৃদ্ধই নিজৰ শৌচ-প্ৰস্ৰাৱৰ মাজত শিকলিবদ্ধ হৈ অসহায়ভাৱে পৰি ৰৈছিল।

উপৰ্যুপৰি ঘটি যোৱা এই ঘটনা দুটিয়ে যেন মানৱৰ বাবে এক ভয়াৱহ ভৱিষ্যতৰ ইংগিত কঢ়িয়াই আনিছে। প্ৰথম দৃষ্টিত হয়তো আমাৰ মনলৈ আহিব পাৰে যে এয়া হ'ল এক বিক্ষিপ্ত ঘটনা। এইখন ছবি আমাৰ সমাজৰ প্ৰকৃত ছবি নহয়। নিঃসন্দেহে, আমাৰ দেশত য'ত পিতৃ-মাতৃক দেৱতাৰ সন্মান যচা হয় বা পুত্ৰৰ সামান্য সুখৰ বাবে পিতৃ-মাতৃয়ে জীৱনৰ সৰ্বস্ব শেষ কৰি দিবলৈ কুণ্ঠাবোধ নকৰে, সেইখন দেশত এনেবোৰ ঘটনা অৱশ্যেই বিক্ষিপ্ত বুলি ক'ব পাৰি। কিন্তু শংকাৰ বিষয় হ'ল যে বিক্ষিপ্ত জ্ঞান কৰা এই ঘটনাবোৰে যেন লাহে লাহে 'ঘটনাক্ৰম'ৰ ৰূপ লৈছে, এটাৰ পিছত এটাকৈ বাঢ়িবলৈ লৈছে এনে বিক্ষিপ্ত ঘটনাৰ নিদৰ্শন। প্ৰিণ্ট বা ইলেক্ট্ৰনিক মিডিয়াৰ কৃপাত যি দুই এটি ঘটনা পোহৰলৈ আহিছে, সেয়াই সৃষ্টি কৰিছে শংকাৰ। কিন্তু পোহৰলৈ নহা এনে ঘটনাৰ পৰিসংখ্যা হয়তো ইয়াতকৈ অধিক। আশে-পাশে ঘটি থকা এনে বহু ঘটনাৰ প্ৰতি হয়তো সকলোৱে দিবলগীয়া গুৰুত্ব দিয়া নাই। ক'ব নোৱৰাকৈয়ে সকলোৰে মনত সৃষ্টি হৈছে এক সহনশীলতাৰ। এই সহনশীলতা কিন্তু এক যেন ভয়ংকৰ ভৱিষ্যতৰ সংকেত। কাৰণ ইয়েই বিক্ষিপ্ত যেন বোধ কৰা ঘটনাবোৰক লাহে লাহে ন্যায্যতা প্ৰদান কৰিবলৈ আৰম্ভ কৰিছে। এনে প্ৰক্ৰিয়া যদি এক দীঘলীয়া সময়লৈ চলি থাকে তেন্তে আজি বিক্ষিপ্ত বুলি জ্ঞান কৰা ঘটনাবোৰেই এটা সময়ত গৈ স্বাভাৱিক যেন বোধ হ'বলৈ আৰম্ভ কৰিব আৰু স্বাভাৱিক ঘটনাবোৰ হৈ পৰিব অস্বাভাৱিক। যি সময়ত পিতৃ-মাতৃয়ে সন্তানক স্নেহেৰে বুৰাই পেলোৱা বা সন্তানে পিতৃ-মাতৃৰ প্ৰতি গভীৰ শ্ৰদ্ধা প্ৰদৰ্শন কৰা কাৰ্যক অস্বাভাৱিক হিচাপে গণ্য কৰা হ'ব সেইদিনাই যেন আৰম্ভ হ'ব মানৱ তথা মানৱতাৰ অধোগামী যাত্ৰা। আজি উদ্ভট যেন লগা এই কথাবোৰ কল্পনাবিলাসী মনৰ লেকামহীন চিন্তাৰ ধাৰ হিচাপে যদি ভৱিষ্যতে প্ৰমাণিত হয় তেন্তে এয়া মানৱ তথা মানৱতাৰ বাবে অতি সৌভাগ্যৰে কথা। কিন্তু নিৰৱচ্ছিন্নভাৱে ঘটি যোৱা ঘটনালানিয়ে কিন্তু ভৱিষ্যতৰ পৃথিৱীত এনে এক উদ্ভট সমাজৰ ছবি আঁকিবলৈহে অধিকভাৱে প্ৰেৰিত কৰে। মানৱ মনৰ সংকীৰ্ণতাই নিজৰ তেজৰ সম্পৰ্ক থকাখিনিকে নিজৰ আপোন বুলি ভাবি আনবোৰৰ ওপৰত প্ৰাণঘাতী আক্ৰমণ কৰিবলৈ কুণ্ঠাবোধ নকৰাৰ কথা নতুন নহয়। কিন্তু সাম্প্ৰতিক সময়ত মানৱৰ আত্মকেন্দ্ৰিকতা, স্বাৰ্থপৰতাই যেন চূড়ান্ত ৰূপ ধাৰণ কৰিছে। 'মই' সৰ্বস্ব চিন্তাধাৰাৰে নিয়ন্ত্ৰিত পৃথিৱীত সেয়েহে অতি আপোনজনেও আজি অতিকে আপোনজনৰপৰা লাভ কৰিছে মৰ্মন্তুদ আঘাত। শিকলিৰে বন্ধা পিতৃৰ বাবে কায়িক যন্ত্ৰণা যিমান তাতোকৈ চাগে মানসিক যন্ত্ৰণা হেজাৰগুণে বেছি আছিল। অথচ ইয়াৰ বিপৰীতে সেই অকৃতজ্ঞ সন্তানে নিতৌ তিনি সাঁজকৈ খাবলৈ দিয়া তথা নিশাৰ ভাগত ঘৰলৈ আনি শুবলৈ দিয়াৰ খতিয়ান দি নিজৰ কাৰ্যৰ ন্যায্যতা প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল। ভোগ সৰ্বস্বতাৰ মানসিক ব্যাধিৰে আক্ৰান্ত সেই পুত্ৰগৰাকীৰ বাবে এইকণ পুতৌৰে যেন তেওঁ শেষ কৰিছিল পুত্ৰ হিচাপে নিজৰ কৰণীয়। আজিৰ পৃথিৱীত ভয়ংকৰ কথাটো হ'ল এয়েই যে হৃদয়ৰ কথা বুজিবলৈ সক্ষম নোহোৱা এনে



এচাম লোকেই ক্ৰমাৎ আধিপত্য বিস্তাৰ কৰিবলৈ লৈছে সৰ্বত্ৰ। মানৱতাৰ বাবে ইয়াতকৈ হয়তো দুখজনক কথা একোৱেই হ'ব নোৱাৰে যদিহে কোনোবাই এনেধৰণৰ দুৰ্ভাগ্যপূৰ্ণ ঘটনাতো ৰাজনীতিৰে ৰহণ সানিবলৈ যায়। কিন্তু বাস্তৱত সেয়াই ঘটিল। বাংগালুৰুত সংঘটিত এই দুটি ঘটনাৰ পিছত নৈতিকতাবিহীন ৰাজনৈতিক মতাদৰ্শৰে পৰিপুষ্ট এচামে মন্তব্য কৰিলে যে পূৰ্বৰ চৰকাৰৰ দিনত এনেধৰণৰ নাৰকীয় ঘটনা কেতিয়াও সংঘটিত হোৱা নাছিল। এয়া বৰ্তমানৰ চৰকাৰৰ ব্যৰ্থতা। এনেধৰণৰ মানসিক বিকাৰগ্ৰস্ততাৰে ভৰা এখন দেশত বিক্ষিপ্ত ঘটনাবোৰে বাৰু স্বাভাৱিক ৰূপ পাবলৈ আৰু কেতপৰ! হৃদয়ৰ অনুভূতিবোৰকো যেতিয়া লাভ-লোকচানৰ তুলাচনীত তুলি দিয়া হয় তেনে এক পৰিৱেশত মানৱতাই শ্বাসৰুদ্ধ হৈ মৃত্যুৰ ক্ষণ গণাৰ বাহিৰে আৰু কৰিবলৈ একো নাথাকে।

বা-বতাহ সোমাব নোৱৰা সেই **অন্ধকাৰময় কোঠাটিত যুৱতীগৰাকীক যি এবাৰলৈ** সুমুৱাই দিয়া হ'ল তাৰ পিছত **এদিন-দুদিন বা এমাহ-দুমাহ নহয়,** সম্পূৰ্ণ চাৰিটি বছৰলৈ তাই আবদ্ধ হৈ ৰ'ল কোঠাটিত। কমটিৰ ভিতৰৰ সেমেকা পৰিৱেশ, বেৰৰপৰা **খহি পৰা ৰংবোৰৰ মাজত শতচ্ছিন্ন** পোছাকেৰে মজিয়াত পৰি ৰোৱা হেমাৱতী নামৰ যুৱতীগৰাকীয়ে চাগে ভাবিছিল যে মৃত্যুৱেই **হয়তো তাইৰ মুক্তিৰ শেষ উপায়।**

লেখকৰ ফোন : ৯৮৫৪০১৮১১৭